**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। মেচ ফিক্সিঙৰ অভিযোগত অসম ক্ৰিকেট সন্থাৰ ৪ গৰাকী খেলুৱৈক নিলম্বন।

২। পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা প্ৰাক্তন বায়ুসেনা বিষয়াক গাঁও এৰিবলৈ স্থানীয় ৰাইজৰ দাবী।

৩। অৰুণাচলৰ আনজাও জিলাত সংঘটিত পথ দুৰ্ঘটনাত নিহত ছগৰাকী শ্ৰমিকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন। মন্ত্ৰী বিমল বৰাৰ শ্ৰদ্ধাঞ্জলি।

৪। ডিব্ৰুগড় আৰৰ্ত ভৱনলৈ FSSAI-ৰ চাৰি তাৰকাযুক্ত স্বীকৃতি। **আৰু**

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ধৰমশালাত।

০০০০০০

মেচ ফিক্সিঙৰ অভিযোগত অসম ক্ৰিকেট সন্থাই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ৪ জন খেলুৱৈক নিলম্বন কৰিছে। লক্ষ্ণৌত অনুষ্ঠিত মুস্তাক আলী ট্ৰফীৰ প্ৰাথমিক পৰ্যায়ৰ খেলৰ সময়ত অসম দলৰ একাংশ খেলুৱৈক মেচ ফিক্সিং কৰিবলৈ প্ৰলোভিত কৰাৰ অভিযোগ উত্থাপিত হৈছিল। ইয়াৰ পাছতে অসম ক্ৰিকেট সন্থাই অমিত সিনহা, ঈশান আহমেদ, অমন ত্ৰিপাঠী আৰু অভিষেক ঠাকুৰক নিলম্বন কৰিছে। মেচ ফিক্সিঙৰ এই অভিযোগ লাভ কৰাৰ পাছতেই বিচিচিআইৰ দুৰ্নীতি বিৰোধী আৰু নিৰাপত্তা গোটে সমগ্ৰ ঘটনাটো সন্দৰ্ভত তদন্ত চলায়। একে সময়তে অসম ক্ৰিকেট সন্থাইও এই অভিযোগ সন্দৰ্ভত তদন্ত চলাই ৪ গৰাকী খেলুৱৈ অনিময়ত লিপ্ত থকা বুলি তথ্য লাভ কৰে। অসম ক্ৰিকেট সন্থাই খেলুৱৈ ৪ গৰাকীক দলৰ পৰা নিলম্বন কৰাৰ লগতে মহানগৰ আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত এজাহাৰ দাখিল কৰে। প্ৰাক্তন ৰঞ্জী খেলুৱৈ অমিত সিনহাই অসমক প্ৰতিনিধিত্ব কৰি ৩২ খন খেলত অংশগ্ৰহণ কৰিছিল। শিলচৰৰ অভিষেক ঠাকুৰ চলিত ৰঞ্জী ট্ৰফীত অসম দলৰ সদস্য। ডিব্ৰুগড়ৰ ঈশান আহমেদ আৰু অমন ত্ৰিপাঠী বৰ্তমান ক্লাব পৰ্যায়ৰ অসম দলৰ খেলুৱৈ। এই অভিযোগৰ পাছতে অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে ৪ খেলুৱৈকে সন্থাটোৰ পৰা সকলো ধৰণৰ খেলৰ লগতে কাম-কাজৰ পৰা নিলম্বিত কৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

**বাইট (তৰংগ গগৈ)**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২১ ডিচেম্বৰত নামৰূপৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত কালি চাবুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন বিশেষ আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰীগৰাকীৰ উপস্থিতিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকখনত সকলো কৰ্মকৰ্তাকে নিজ নিজ দায়িত্বসমূহ ভগাই দিয়া হয়। মন্ত্ৰী ফুকনে সকলোকে সুকলমে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী অসম আগমনৰ এই ক্ষণ ঐতিহাসিক হিচাপে চিহ্নিত কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ক্ষেত্ৰ

পৰিদৰ্শন কৰি সমগ্ৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। তেওঁ উচ্চ পদস্থ বিষয়াবৰ্গৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকতো মিলিত হৈছিল। প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়কসকলেও নিজ নিজ অঞ্চলত প্ৰস্তুতি সম্পৰ্কে অৱগত হ'বলৈ মিলিত হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অহা ২৯ ডিচেম্বৰত ঐতিহাসিক বটদ্ৰৱা প্ৰকল্পৰ উদ্বোধন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ এই কাৰ্যসূচী সুকলমে আয়োজন কৰাৰ লক্ষ্যৰে কালি মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰকল্পস্থলী পৰ্যবেক্ষণ কৰে। মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী আৰু শশীকান্ত দাসৰ সৈতে তেওঁ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাম-কাজসমূহৰ অগ্ৰগতিৰ বুজ লয়। বটদ্ৰৱা থানখনক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ কৰাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত তেজপুৰ আৰক্ষীয়ে কালি ভাৰতীয় বায়ু সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে। ধৃত কুলেন্দ্ৰ শৰ্মাই দেশৰ প্ৰতিৰক্ষা বিভাগৰ অতি স্পৰ্শকাতৰ নথিপত্ৰ আৰু তথ্য সামাজিক মাধ্যমৰ জৰিয়তে পাকিস্তানী চোৰাংচোৱাক প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে অভিযুক্ত লোকজনৰ লেপটপ আৰু মোবাইল জব্দ কৰি পৰীক্ষাৰ বাবে গৱেষণাগাৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে অভিযুক্ত লোকজনে ২০০২ চনত বায়ু সেনাৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত লোকজনে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিক বিভাগত কৰ্মৰত হৈ অৱসৰ গ্ৰহণ কৰে বুলি শোণিতপুৰৰ উপ-আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে। ইপিনে কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰৰ পাছতে গাঁওবাসীয়ে তেওঁৰ এই কাণ্ডৰ বিৰুদ্ধে প্ৰতিবাধ সাব্যস্ত কৰি শীঘ্ৰেই গাঁও এৰাৰ দাবী উত্থাপন কৰিছে।

**বাইট (প্ৰতিবাদকাৰী)**

০০০০০০

নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে। শ্ৰীভূমি জিলাত বাস কৰা বাংলাদেশৰ চট্টগ্ৰামৰ ৪০ বছৰীয়া এগৰাকী মহিলাক CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছে। নাগৰিকত্ব লাভ কৰা মহিলাগৰাকীয়ে ২০০৭ চনত চিকিৎসাৰ বাবে আহি শ্ৰীভূমিৰ এজন ব্যক্তিৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈ স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰিছিল। ২০১৯ চনত CAA গৃহীত হোৱাৰ পিছত নাগৰিকত্বৰ বাবে আবেদন কৰি দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতি লাভ কৰে। আনহাতে, শিলচৰৰ এজন ৬১ বছৰীয়া এজন ব্যক্তিও CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে।

০০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত নিহত লোকসকলৰ মৃতদেহসমূহ কালি ৰাজ্য চৰকাৰে পৰিয়ালৰ লোকক অৰ্পণ কৰাৰ লগতে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। দুৰ্ঘটনাত মৃত্যু হোৱা ৬ গৰাকী লোকৰ মৃতদেহ পৰিয়ালৰ লোকক অৰ্পণ কৰি মন্ত্ৰী বিমল বৰাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

উল্লেখযোগ্য যে কালি দিনটোৰ উদ্ধাৰ অভিযানৰ অন্তত দুৰ্ঘটনাস্থলীৰ পৰা ১১ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। এই দুৰ্ঘটনাটোত আঘাতপ্ৰাপ্ত হোৱা শ্ৰমিক বুদ্ধেশ্বৰ দীপ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। এই ভয়ংকৰ দুৰ্ঘটনাটোৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা বুদ্ধেশ্বৰ হৈছে একমাত্ৰ শ্ৰমিক।

শোকাৰ্হ দুৰ্ঘটনাত নিহত শ্ৰমিকৰ পৰিয়ালৰ বাসগৃহত কালি নিশা উপস্থিত হৈ সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণৰ সম্পাদক সমীৰণ ফুকনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে তেওঁ শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তা দিশটো গুৰুত্বসহকাৰে চৰকাৰে বিবেচনা কৰিব লাগে বুলি দাবী উত্থাপন কৰে।

oooooo

ফুড ছেফটি এণ্ড ষ্টেণ্ডাৰ্ড অথৰিটী অব্ ইণ্ডিয়া চমুকৈ FSSAI-য়ে ডিব্ৰুগড় জিলা আৰক্ষী ভৱনলৈ চাৰি তাৰকাযুক্ত মূল্যায়ন প্ৰদান কৰিছে। ডিব্ৰুগড় জিলা আৰক্ষী ভৱনে অসমৰ প্ৰথম আৰু একমাত্ৰ আৰক্ষী হিচাপে এই স্বীকৃতি পত্ৰৰ জৰিয়তে **ইট ৰাইট কেম্পাছৰ** স্বীকৃতি লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। FSSAI-এৰ নেতৃত্বত **ইট ৰাইট কেম্পাছৰ** লক্ষ্য হৈছে সমগ্ৰ দেশৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, কৰ্মক্ষেত্ৰ- চিকিৎসালয়, চাহ-বাগিছা আদি চৌহদত নিৰাপদ স্বাস্থ্য সন্মত আৰু বহনক্ষম খাদ্যৰ ব্যৱস্থা কৰা।

oooooo

সমগ্ৰ দেশতে ১৪ লাখ অংগনৱাড়ী কেন্দ্ৰ আৰু ৰাজ্যত প্ৰায় ৬৩ হাজাৰ অংগনৱাড়ী কেন্দ্ৰই শিশুৰ বিকাশ আৰু উন্নয়নৰ হকে কাম কৰি সমগ্ৰ বিশ্বৰ সন্মুখতে এটা বৃহৎ উন্নয়নমূলক প্ৰকল্প হিচাপে পৰিগণিত হৈছে বুলি শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ কালি নিশা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত প্ৰকাশ কৰে। এই অনুষ্ঠানত শিশু সংহত প্ৰকল্পৰ শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হয়।

আলোচনাত ভাগ লয় ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়েও। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী আছিল আমিনুল ইছলাম।

oooooo

নগাঁও জিলা প্ৰশাসনে পৰহিলৈ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত উচ্ছেদ চলাব। চালনাবাৰী গাঁৱৰ ভেৰভেৰি বিলৰ পৰা মাগুৰমাৰী বিললৈকে এই উচ্ছেদ চলিব। ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই কালি উচ্ছেদ চলাবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে একাংশ মীনপালকে টুকটুকি, আহোমগাঁও, কটগুৰি, ৰৌমাৰী বিল, মৈৰাধবজ গাঁৱত থকা প্ৰাকৃতিক পানীৰ সুতি ৰুদ্ধ কৰি অবৈধভাৱে পুখুৰী বান্ধ নিৰ্মাণ কৰিছে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ যোৱাত গাঁওবাসীয়ে সমস্যাৰ সন্মুখীন হৈছে। প্ৰাকৃতিক পানীৰ সুঁতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে ১৬ ডিচেম্বৰত এই অঞ্চলসমূহত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া সৌৰভ কুমাৰে জানিবলৈ দিছে।

oooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত অনুষ্ঠিত হৈ থকা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গ্ৰন্থমেলাৰ বাকৰিত উপস্থিত হৈ নৱপ্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে গ্ৰন্থ অধ্যয়নৰ অভ্যাসেহে এখন সমাজ শক্তিশালী কৰিব পাৰে। বৰ্তমানৰ প্ৰতিযোগিতাৰ পৃথিৱীখনত সফলতাৰে বৰ্তি থাকিবলৈ হ'লে অধ্যয়নৰ বিকল্প একো নাই বুলি তেওঁ উল্লেখ কৰে। বিয়লিৰ ভাগত গ্ৰন্থমেলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীৰ গীতিসাহিত্য আৰু গায়নশৈলী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মাজুলী সংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰোদ বৰুৱাই এই আলোচনা সত্ৰখন উদ্বোধন কৰে।

oooooo

অসমৰ বায়ুসেনাৰ প্ৰাক্তন বিষয়াক গ্ৰেপ্তাৰ, শিল্পী জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত দাখিল হোৱা অভিযোগনামাকে ধৰি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানত নিৰ্মাণ হৈ থকা বটদ্ৰৱা প্ৰকল্প মুকলি কৰিব বুলি মন্ত্ৰী পীযুষ হাজৰিকাই জানিবলৈ দিছে। বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। যোৱা ৯ মাহত ৰাজ্যত পক্সো আইনৰ অধীনত দুহেজাৰ ৪৪৬টা গোচৰ ৰুজু হোৱা বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কলকাতাৰ ছল্টলেক ষ্টেডিয়ামৰ পৰা ফুটবল তাৰকা লিয়নেল মেছিয়ে নিৰ্ধাৰিত সময়তকৈ ১০ মিনিট পূৰ্বে ষ্টেডিয়াম এৰি যোৱা পাছত দৰ্শক ক্ষুন্ন হোৱাৰ বাতৰিটো **অসমীয়া খবৰ** আৰু **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ক্ৰীড়াপ্ৰেমীসকলৰ প্ৰতি ক্ষমা খোজাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম ক্ৰিকেটত মেছ ফিক্সিঙৰ অভিযোগত ৪ গৰাকী খেলুৱৈক নিলম্বন কৰা বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অসমকে ধৰি ১২ খন ৰাজ্যত ঘন কুঁৱলী পৰিব বুলি পূৰ্বাভাষ জাৰি কৰিছে বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতত প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে। গেৰুকামুখত নামনি সোঁৱনশিৰি জলবিদ্যুৎ প্ৰকল্পত বনজুয়ে আগুৰি ধৰা বাতৰিটো **আমাৰ অসম** কাকতত প্ৰথম পৃষ্ঠাত স্থান পাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুম্বাইত শ্ৰীচন্দ্ৰশেষৰেন্দ্ৰ সৰস্বতী ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা প্ৰদান কৰা হৈছে। বাতৰিটো **দ্য ছেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**